**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-OCT-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

——————————————

## Headlines

১। অসমসহ দেশৰ ১৭খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত অহা বছৰৰ পহিলা জানুৱাৰীক ভিত্তি তাৰিখ হিচাপে লৈ ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী কৰিবলৈ নিৰ্বাচন আয়োগৰ নিৰ্দেশ।

২। বেংগালুৰুৰ দদ্দা আলাদমাৰা ৰোডত অসম ভৱন আজি আনুষ্ঠানিকভাৱে মুকলি।

৩। ৰাজ্যৰ এহেজাৰগৰাকী প্ৰগতিশীল খেতিয়কক ১ লাখ টকাকৈ বিশেষ উদগনি সাহায্য প্ৰদান কৰা হ'ব বুলি মন্ত্ৰী পীযুষ হাজৰিকাৰ মন্তব্য।

৪। ষষ্ঠীৰ বেদীত আজি দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ।

*আৰু*

৫। ভাৰত-জিম্বাব'ৱে মহিলা টী-২০ ক্ৰিকেট শৃংখলাৰ আজি ৰায়পুৰত প্ৰথমখন খেল।

০০০০০০

নিৰ্বাচন আয়োগে অসমসহ দেশৰ ১৭খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত অহা বছৰৰ পহিলা জানুৱাৰীক ভিত্তি তাৰিখ হিচাপে লৈ ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী কৰিবলৈ নিৰ্দেশ দিছে। বাকী ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ ভিতৰত  বিহাৰ, ছত্তিশগড়, গোৱা, গুজৰাট, কেৰলম, মধ্য প্ৰদেশ, মণিপুৰ, পাঞ্জাৱ, ৰাজস্থান, তামিলনাডু, উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, পশ্চিমবংগ, পুডুচেৰী, লাক্ষাদ্বীপ আৰু আন্দামান নিকোবৰ দ্বীপপুঞ্জ আছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে আয়োগে যোৱা ২৯ ছেপ্তেম্বৰত ভোটাৰ তালিকাৰ পৰা বাদ পৰি যোৱা যোগ্য যুৱক-যুৱতী আৰু প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ লাভ কৰা ভোটদাতাসকলৰ নাম তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে নিৰ্দেশ জাৰি কৰিছে। আয়োগে লগতে হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ আৰু লাডাখত বৰ্তমানলৈকে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ প্ৰক্ৰিয়া আৰম্ভ হোৱা নাই আৰু তাত ভোটাৰ তালিকা সংশোধনৰ সূচী নিৰ্দিষ্ট সময়ত ঘোষণা কৰা হ'ব।

আয়োগে প্ৰকাশ কৰা মতে কোনো এটা বিধানসভা সমষ্টিত যোগ্য ভোটদাতাৰ নাম যাতে ভোটাৰ তালিকাৰ পৰা বাদ পৰি নাযায় আৰু অযোগ্য ব্যক্তিৰ নাম তালিকাত অন্তৰ্ভুক্ত নহয় সেয়া নিশ্চিত কৰাটো সংশ্লিষ্ট নিৰ্বাচনী পঞ্জীয়ন বিষয়াৰ দায়িত্ব হ'ব। বিশেষ সংক্ষিপ্ত সংশোধনৰ সময়ত বুথ পৰ্যায়ৰ বিষয়াসকলে ঘৰে ঘৰে গৈ ভোটাৰ তালিকা পৰীক্ষা নকৰে। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা মতে যুৱ আৰু প্ৰথমবাৰৰ বাবে যোগ্য বিবেচিত ভোটদাতাসকলৰ সুবিধাৰ্থে ২০২৭ বৰ্ষৰ পহিলা জানুৱাৰীৰ উপৰি পহিলা এপ্ৰিল, পহিলা জুলাই আৰু পহিলা অক্টোবৰত যোগ্যতা লাভ কৰিবলগীয়া নাগৰিকসকলে ভোটাৰ তালিকাত নাম পঞ্জীয়নৰ বাবে আগতীয়াকৈ আবেদন দাখিল কৰিব পাৰিব। ইয়াৰ বাবে জিলা পৰ্যায়ত সাহায্য কেন্দ্ৰ স্থাপন কৰা হ'ব। এই কেন্দ্ৰসমূহত প্ৰবাসী, দুৰ্বল আৰু উপান্ত শ্ৰেণীৰ জনসাধাৰণক নাম পঞ্জীয়নত সহায় কৰা হ'ব।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বেংগালুৰুৰ দদ্দা আলাদমাৰা ৰোডত নিৰ্মাণ সম্পূৰ্ণ হোৱা অসম ভৱন আনুষ্ঠানিকভাৱে মুকলি কৰিব। বেংগালুৰুত নৱনিৰ্মিত এই অসম ভৱনে কৰ্ণাটক আৰু সমগ্ৰ দক্ষিণ ভাৰতত বাস কৰা, বিভিন্ন কামত নিয়োজিত হৈ থকা নাইবা বিভিন্ন কামত যোৱা অসমৰ লোকসকলৰ বাবে গুৰুত্বপূৰ্ণ আশ্ৰয়স্থল হিচাপে কাম কৰিব। ৭১ কোটি টকা ব্যয়েৰে অত্যাধুনিক সা-সুবিধাৰে অসম ভৱনৰ ছমহলীয়া অট্টালিকাটো নিৰ্মাণ কৰা হৈছে। অসমৰ পৰা যোৱা সাধাৰণ নাগৰিক, চৰকাৰী বিষয়া আৰু ভি আই পি অতিথিৰ বাবে পৃথকে সু-সজ্জিত কক্ষ আৰু ২৪ খন বিছনাযুক্ত শয়নকক্ষ আৰু ১২ খন বিছনাযুক্ত ছাউনী নিৰ্মাণ কৰা হৈছে। বেংগালুৰুৰ অসম ভৱনত ৩ টা ভি ভি আই পি

কক্ষ, চাৰিটা ভি আই পি, ২৬ টা সাধাৰণ আৰু ৩৬ টা দুখন আসনযুক্ত কক্ষ নিৰ্মাণ কৰা হৈছে। ইয়াৰ উপৰি বেংগালুৰুৰ অসম ভৱনত ৫ টা সন্মিলনকক্ষ আৰু দুটা কোঠাযুক্ত দুটা এপাৰ্টমেণ্ট আছে। বেংগালুৰুৰ অসম ভৱনত বেংগালুৰুৰ বিভিন্ন আগশাৰীৰ চিকিৎসালয়লৈ চিকিৎসাৰ বাবে যোৱা অসমৰ ৰোগী আৰু তেওঁলোকৰ পৰিয়ালক কম খৰচত সুৰক্ষিত আৰু সুলভ আবাস প্ৰদান কৰা হ'ব।

একেদৰে উচ্চ শিক্ষাৰ নামভৰ্তি, সাক্ষাৎকাৰ নাইবা প্ৰৱেশ পৰীক্ষা দিবলৈ যোৱা শিক্ষাৰ্থী আৰু নতুন চাকৰিয়ালসকলক প্ৰাৰম্ভিক দিনকেইটাত কম খৰচত থকাৰ সুবিধা আগবঢ়োৱা হ'ব। কৰ্ণাটকত বসবাস কৰা প্ৰবাসী অসমীয়া সমাজৰ মাজত সমন্বয় ৰক্ষা আৰু অসমৰ শিল্প সংস্কৃতি প্ৰচাৰৰ কেন্দ্ৰ বিন্দু হিচাপেও বেংগালুৰুৰ অসম ভৱনে সেৱা আগবঢ়াব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে বেংগালুৰুৰ অসম ভৱন আনুষ্ঠানিকভাৱে মুকলি কৰাৰ পাছতে কোঠা সংৰক্ষণ অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ অনলাইন প'ৰ্টেল বা নিৰ্ধাৰিত প্ৰক্ৰিয়াৰ জৰিয়তে উপলব্ধ হ'ব। বেংগালুৰুৰ আজিৰ অনুষ্ঠানত সাধাৰণ প্ৰশাসন ইত্যাদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকিব।

০০০০০০

ৰাজ্যত কাঠফুলা খেতিৰ প্ৰচুৰ সম্ভাৱনা আছে আৰু এইক্ষেত্ৰত চৰকাৰ যথেষ্ট আশাবাদী বুলি কৃষি আৰু জলসিঞ্চন আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই মন্তব্য কৰিছে। কালি ৰাষ্ট্ৰীয় কাঠফুলা দিৱসৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন জিলাৰ এশৰো অধিক কাঠফুলা খেতিয়ক তথা কৃষি বিভাগৰ বিষয়ববীয়াৰ সৈতে অন্তৰংগ আলাপত মিলিত হৈ মন্ত্ৰীগৰাকীয়ে এই কথা উল্লেখ কৰে। কাঠফুলা খেতিৰ বৃহৎ বজাৰ আৰু অসমৰ খেতিয়কসকলে গ্ৰহণ কৰিব পৰা  সুবিধাসমূহত আলোকপাত কৰি কৃষক তথা উদ্যমীসকলৰ প্ৰয়োজন অনুসৰি যন্ত্ৰাংশ, আধুনিক খেতি পদ্ধতিৰ লগতে সকলো সুবিধা শীঘ্ৰেই প্ৰদানৰ মন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে। মন্ত্ৰীগৰাকীয়ে লগতে ৰাজ্যৰ ঠায়ে ঠায়ে কাঠফুলা প্ৰক্ৰিয়াকৰণ গোট স্থাপন, এহেজাৰগৰাকী প্ৰগতিশীল খেতিয়কক ১ লাখ টকাৰ বিশেষ উদ্গনি প্ৰদান আদি কেইবাটাও ঘোষণা কৰে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশনাত ৰাজ্যৰ অধিক কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা শীঘ্ৰেই সম্প্ৰসাৰণৰ কথাও শ্ৰী হাজৰিকাই সদৰি কৰে।

বাইট

মন্ত্ৰীগৰাকীয়ে লগতে তৈল খেজুৰ খেতিৰ সৈতে জড়িত কোম্পানীসমূহৰ প্ৰতিনিধিবৰ্গৰ সৈতেও আন এখন বৈঠকত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে ৰাজ্যত তৈল খেজুৰ খেতিৰ সম্প্ৰসাৰণ আৰু অধিক কৃষকক এই খেতিৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে সকলোকে সক্ৰিয় সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। কোম্পানীসমূহকো নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত তৈল খেজুৰ খেতিৰ কামকাজ আৰম্ভ কৰি নিৰ্দিষ্ট সময়ত সম্পূৰ্ণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাৰ জৰিয়তে দেশ সেৱাৰ লক্ষ্যৰে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ২৫ বছৰ সফলতাৰে সম্পূৰ্ণ কৰিছে আৰু সম্পূৰ্ণ দায়বদ্ধতাৰে এই সেৱা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নিৰন্তৰ কাম কৰি আছে। সৰ্বাত্মক বিকাশ আৰু সামাজিক সবলীকৰণৰ জৰিয়তে চৰকাৰৰ এই নিষ্ঠাপূৰ্ণ সেৱাই জনসাধাৰণৰ জীৱনত ৰূপান্তৰ সাধন কৰিবলৈ সমৰ্থ হৈছে। এই শৃংখলাত আজি **ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি**ৰ জৰিয়তে কিদৰে এই দৃষ্টিভংগী বাস্তৱায়িত কৰা হৈছে, সেই বিষয়ে আলোকপাত কৰা হৈছে।

(প্ৰতিবেদন)

০০০০০০

শাৰদীয় দুৰ্গা পূজা উপলক্ষে ৰাজ্যজুৰি উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। ষষ্ঠীৰ বেদীত আজি দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হ'ব। বিশ্বাস অনুসৰি এইবাৰ দেৱী দুৰ্গাৰ ঘোঁৰাত আগমন ঘটিছে আৰু নাৱত গমন হ'ব। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে পূজা-মণ্ডপসমূহ আটকধুনীয়াকৈ আলোকসজ্জাৰে সজ্জিত কৰা হৈছে। ইতিহাস প্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এটা বাৰ্তাত শাৰদীয় দুৰ্গোৎসৱৰ এই পৱিত্ৰ ক্ষণত সমূহ ৰাজ্যবাসীৰ মংগল কামনাৰে দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ শ্ৰীচৰণত প্ৰণিপাত জনাই প্ৰতিগৰাকী লোকৰ জীৱনলৈ নতুন আশা, শক্তি আৰু আনন্দৰ বতৰা

কঢ়িয়াই আনিব বুলি  কামনা কৰে। তেওঁ লগতে দেৱী দুৰ্গাই অশুভ শক্তি, হিংসা-বিদ্বেশ দূৰ কৰি সমাজখনক মৰম, ভালপোৱা, সম্প্ৰীতি আৰু ভাতৃবোধেৰে  আলোকিত কৰিব বুলি আশা প্ৰকাশ কৰে।

**গুৱাহাটী** মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ উপাসনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। চিচি টিভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ, পৰিষ্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত ইতিমধ্যে ৫৫০ খনৰো অধিক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ পৰা অনুমতি লৈছে।  শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়, উজান বজাৰৰ উগ্ৰতাৰা দেৱালয়, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি বিভিন্ন ইতিহাস প্ৰসিদ্ধ স্থানসমূহত পূজা উপলক্ষে পবিত্ৰ পৰিৱেশে বিৰাজ কৰিছে।

**শিৱসাগৰ** জিলাতো পূজা মণ্ডপসমূহ মণ্ডপসমূহত স্বনামধন্য শিল্পীসকলৰ ছবি অংকন কৰি সজাই-পৰাই তোলাৰ লগতে শক্তিৰূপা দেৱী দুৰ্গাৰ আৰাধনাৰ বাবে জনসাধাৰণ সাজু হৈছে। **গোলাঘাট** জিলাতো পূজা উপলক্ষে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে।

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড় ইণ্ডিয়া ক্লাব এণ্ড থিয়েটিকেল ইনষ্টিটিউচন পূজা সমিতিত বন্তি প্ৰজ্বলন কৰি চলিত বৰ্ষৰ দুৰ্গোৎসৱ আনুষ্ঠানিকভাৱে মুকলি কৰে। অনুষ্ঠানত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ড০ সৈকত পাত্ৰ, উপ-মেয়ৰ উজ্জ্বল ফুকনকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ডিব্ৰুগড়ৰ চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত ঐতিহাসিক বকুলপুৰতো সম্পূৰ্ণ ৰীতি-নীতি আৰু পৰম্পৰাৰে দুৰ্গা পূজা উদযাপন কৰা হৈছে।

কাছাৰ জিলাতো দুৰ্গা পূজাৰ উৎসাহ উদ্দীপনা পৰিলক্ষিত হৈছে। শিলচৰ মহানগৰীত কেইবাখনো পূজা মণ্ডপ কালি উদ্বোধন কৰা হয়।

০০০০০০

ৰায়পুৰৰ ছহিদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত আজি সন্ধিয়া ৭ বজাত ভাৰতীয় মহিলা ক্ৰিকেট দলটো জিম্বাবুৱেৰ মহিলা ক্ৰিকেট দলৰে তিনিখনীয়া টী-২০ শৃংখলাৰ প্ৰথমখন খেলত মুখামুখি হ'ব। ভাৰতীয় মহিলা ক্ৰিকেট দলটো শেহতীয়া ক্ৰমাগত পাঁচখন খেলত জয়ী হোৱাৰ বিপৰীতে আলহী দলটোৱে ক্ৰমাগত পাঁচখন খেলত পৰাজয় বৰণ কৰিছে। শৃংখলাৰ পৰৱৰ্তী খেল দুখন ১৮ আৰু ২০ অক্টোবৰত একে স্থানতে অনুষ্ঠিত হ'ব। এই শৃংখলাটোত ছহিদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়াম সকলো মহিলা দৰ্শকৰ বাবে বিনামূলীয়া হ'ব। ছট্টিশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও ছাইৰ পৰামৰ্শ অনুসৰি এই সিদ্ধান্ত লোৱা হৈছে। ভাৰত-জিম্বাবুৱেৰ মহিলা টী-২০ ক্ৰিকেট শৃংখলাটোৰ পাছত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলা অনুষ্ঠিত হ'ব।

০০০০০০

শাৰদীয় দুৰ্গোৎসৱৰ ষষ্ঠী, নিযুত মইনা- নিযুত বাবু আঁচনিৰ অক্টোবৰৰ প্ৰথম কিস্তিৰ ধন মুকলি, এছিয়ান গেমছত পদক বিজয়ীৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাৰ্তালাপ আৰু গুৱাহাটীত উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো ভিছা কেন্দ্ৰ উদ্বোধনকে ধৰি বিভিন্ন বা-বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহ প্ৰথম পৃষ্ঠা অধিকাৰ কৰিছে।

অসমকে ধৰি ১৪খন ৰাজ্য আৰু তিনিখন কেন্দ্ৰীয় শাসিত অঞ্চলত ফটোযুক্ত ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ নিৰ্বাচন আয়োগে দিয়া নিৰ্দেশৰ বাতৰি দৈনিক অসম কাকতে অসমকে ধৰি ১৭খন ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ নিৰ্দেশ শিৰোনামেৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক আমাৰ অসমসহ কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

মুখ্য নিৰ্বাচন আয়ুক্তলৈ জাননী শিৰোনামেৰে প্ৰতিদিন কাকতে মুখ্য নিৰ্বাচন আয়ুক্ত আৰু ভোটাৰ তালিকাৰ অনিয়মৰ অভিযোগৰ স্বতন্ত্ৰ তদন্তৰ দাবীত ইণ্ডি মিত্ৰজোঁটৰ ১৩গৰাকী সদস্যৰ আবেদনৰ ভিত্তিত উচ্চতম ন্যায়ালয়ে  নিৰ্বাচন আয়োগ আৰু তিনিগৰাকী নিৰ্বাচন আয়ুক্তলৈ জাননী জাৰি কৰাৰ বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে অচিনাকী নম্বৰৰ পৰা অহা ফোনকলৰ ক্ষেত্ৰত এতিয়াৰে পৰা মোবাইল নম্বৰৰ লগতে ফোন কৰা ব্যক্তিজনৰ নামো মোবাইলৰ পৰ্দাত প্ৰদৰ্শিত হ'ব বুলি এটা বাতৰি প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে নিযুত মইনা- নিযুত বাবু আঁচনিৰ অক্টোবৰৰ প্ৰথম কিস্তিৰ ধন মুকলি কৰি মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যৰ জেৰ টানি অধিক শিক্ষানুষ্ঠান, শিক্ষাৰ্থীলৈ সম্প্ৰসাৰিত হ'ব নিযুত মইন-বাবু আঁচনি শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিক দি আছাম ট্ৰিবিউন কাকতে Nijut Moina- Nijut Babu Schemes to Widen Ambit শিৰোনামেৰে প্ৰকাশ কৰিছে।

শাৰদীয় দুৰ্গোৎসৱৰ ষষ্ঠীৰ বেদীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰে আজিৰে পৰা দুৰ্গোৎসৱ আৰম্ভ হোৱাৰ বাতৰিক দৈনিক অগ্ৰদূত, অসমীয়া খবৰসহ আটাইকেইখন কাকতে প্ৰকাশ কৰিছে। দ্য ছেণ্টিনেল কাকতে গুৱাহাটীত উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো ভিছা কেন্দ্ৰ উদ্বোধনৰ বাতৰি আলোকচিত্ৰ সহ প্ৰকাশ কৰিছে।

আহক এতিয়া পৰৱৰ্তী বাতৰিৰ বাবে কুমাৰ ডেভিদ দাসৰ ওচৰলৈ উভতি যাও।

০০০০০০

কটন বিশ্ববিদ্যালয়ৰ ২০২২-২০২৩ বৰ্ষৰ বছৰেকীয়া মুখপত্ৰ কটনীয়ান কালি বিশ্ববিদ্যালয়ৰ মাণিক চন্দ্ৰ বৰুৱা ভৱনৰ আলোচনাকক্ষত উন্মোচন কৰা হয়। বিশিষ্ট শিক্ষাবিদ তথা লেখক ডঃ অমৰজ্যোতি চৌধুৰীয়ে কটনীয়ান মুখপত্ৰখন মুকলি কৰি কয়, যে শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ ভিতৰত ধাৰাবাহিকতা ৰক্ষাৰে শতবৰ্ষ অতিক্ৰম কৰা কটনীয়ানে অনন্য কৃতিত্বৰ দাবী কৰিব পাৰে আৰু প্ৰত্যেক সংখ্যা কটনীয়ানে সেই সময়ছোৱাৰ বৌদ্ধিক চিন্তা-চেতনা আৰু চিন্তাৰ গতি-প্ৰকৃতি প্ৰতিফলিত কৰি আহিছে। অনুষ্ঠানত কটনীয়ানৰ সম্পাদক অংকুৰজ্যোতি শৰ্মাই কটনীয়ানৰ এই সংখ্যা প্ৰকাশ কৰাৰ ক্ষেত্ৰত হোৱা অভিজ্ঞতা বৰ্ণনা কৰাৰ লগতে শতবৰ্ষ উদযাপন উপলক্ষে আয়োজন কৰা বক্তৃতামালাকে ধৰি বিভিন্ন কাৰ্যসূচী সম্পৰ্কে জনোৱাৰ লগতে বিভিন্নজনে আগবঢ়োৱা সহযোগিতাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। উল্লেখযোগ্য যে কটনীয়ানৰ এই সংখ্যাটোৰ পৰাই পোনপ্ৰথমবাৰৰ বাবে কটনীয়ান অনলাইনত উপলব্ধ হ'ব।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, নাগালেণ্ড, মেঘালয়, মণিপুৰ, মিজোৰাম, আৰু অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**